# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-06-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১।	গুজৰাটৰ আহমেদাবাদত লণ্ডন অভিমুখী এয়াৰ ইণ্ডিয়া 171 বিমান উৰণৰ সময়তে দুৰ্ঘটনাগ্ৰস্ত।

২।	আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ তথ্য অনুসৰি বিমানখনৰ আটাইকেইগৰাকী আৰোহীৰ প্ৰাণহানিৰ আশংকা।

৩।	আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ড০ সোনাল মানসিঙক ২০২৩ বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান।

৪।	লেটেকুপুখুৰী, বৰপেটাকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত মহাপুৰুষ মাধৱদেৱৰ ৫৩৬ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উদযাপন।	*আৰু*

৫।	বড়ো গণ আন্দোলনৰ প্ৰথম শ্বহীদ সুজিত নাৰ্জাৰীৰ স্মৃতিত বড়োলেণ্ড শ্বহীদ দিৱস পালন।

০০০০০

গুজৰাটৰ আহমেদাবাদৰ মেঘানি নগৰত আজি দুপৰীয়া ২৪২গৰাকী যাত্ৰী কঢ়িয়াই লণ্ডন অভিমুখে উৰা মাৰিবলৈ লোৱা এয়াৰ ইণ্ডিয়াৰ ১৭১ বিমানখন উৰণৰ সময়তে দুৰ্ঘটনাগ্ৰস্ত হয়। অসমৰ্থিত বাতৰি অনুসৰি বিমানখনত থকা আৰোহীসকলৰ এজনো জীয়াই থকাৰ সম্ভাৱনা নাই। ১৬৯গৰাকী ভাৰতীয়, ৫৩গৰাকী ব্ৰিটিছ, এগৰাকী কানাডিয়ান আৰু সাতগৰাকী পৰ্তুগীজ নাগৰিক থকা  ঘটনা সংঘটিত হোৱাৰ পাছতে অগ্নিনিৰ্বাপন বাহিনী, আৰক্ষী আৰু দুৰ্যোগ সঁহাৰি বাহিনী ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। গুৰুতৰভাবে আহতসকলক ততালিকে সমীপৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। উদ্ধাৰ অভিযান ক্ষীপ্ৰ কৰি তোলাৰ বাবে দুৰ্ঘটনা সংঘটিত স্থানলৈ যোৱা আটাইকেইটা পথ বন্ধ কৰি দিয়া হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনা গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে এই অবৰ্ণনীয় পৰিস্থিতিৰ সন্মুখীন হোৱা  লোকসকলৰ ওচৰত সমগ্ৰ ভাৰতবাসী আছে বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্ধাৰ অভিযানৰ অহৰহ তথ্য লৈ আছে আৰু সকলো সাহায্যৰ প্ৰতিশ্ৰুতি দিছে। প্ৰধানমন্ত্ৰী মোদীয়ে এই সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন ৰায়ডুৰ সৈতে কথা পাতি সকলো দিশৰ বুজ লয়। শ্ৰী ৰায়ডুয়ে কয় যে, সকলো ধৰণৰ তাৎক্ষণিক পদক্ষেপ লোৱা হৈছে আৰু মন্ত্ৰালয়ে এই দুৰ্যোগ অভিযানৰ সকলো তথ্য লৈ আছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলৰ সৈতে কথা বতৰা পাতি সকলো সাহায্যৰ প্ৰতিশ্ৰুতি দিছে। এই শোকাবহ দুৰ্ঘটনা সন্দৰ্ভত এইয়া আমাৰ প্ৰতিবেদন।

**-ভইচ-**

০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে অসম চৰকাৰে প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা, পদ্ম বিভূষণ সন্মানেৰে সন্মানিত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ড° সোনাল মানসিঙক আজি প্ৰদান কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ড° মানসিঙক ২০২৩ বৰ্ষৰ এই বঁটা প্ৰদান কৰে। এই উপলক্ষে দিয়া ভাষণত ৰাজ্যপাল শ্ৰী আচাৰ্যই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আধ্যাত্মিক আলোকদ্ৰষ্টা আৰু সাংস্কৃতিক সংস্কাৰক বুলি উল্লেখ কৰি তেওঁৰ মহানকৰ্মই ভৌগোলিক সীমা অতিক্ৰম কৰি ৰাষ্ট্ৰীয় একতাৰ নিৰ্দশন হিচাপে পৰিগণিত হৈছিল বুলি উল্লেখ কৰে। অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লগতে সামাজিক সমতা স্থাপন আৰু কলা, সংগীত, নাট তথা দৰ্শনেৰে ৰাজ্যখনৰ সাংস্কৃতিক পৰিচয় গঢ় দিয়াত মহাপুৰুষজনাই উল্লেখনীয় ভূমিকা লৈছিল বুলি শ্ৰী আচাৰ্যই উল্লেখ কৰে। অসম চৰকাৰে এই বঁটা প্ৰদানৰ বাবে গ্ৰহণ কৰা এই পদক্ষেপক তেওঁ প্ৰশংসা কৰে। এই বঁটা ড° সোনাল মানসিঙৰ ভাৰতীয় ঐতিহ্যৰ সংৰক্ষণৰ প্ৰতি গ্ৰহণ কৰা জীৱনজোৰা প্ৰচেষ্টালৈ আগবঢ়োৱা সন্মান বুলিও তেওঁ উল্লেখ কৰে। নতুন প্ৰজন্মক এই গহৰাকী শিল্পীৰ কেইবা দশকজোৰা সাধনাৰে উৎসাহিত হ'বলৈ তেওঁ আহ্বান জনায়।

**-বাইট-**

অনুষ্ঠানত উপস্থিত থাকি বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ সাধনা, প্ৰচাৰ আৰু প্ৰসাৰত অগ্ৰণী ভূমিকা লোৱা ড° সোনাল মানসিঙে সামাজিক দায়বদ্ধতাও পালন কৰি আহিছে বুলি উল্লেখ কৰে। এই বঁটা তেওঁৰ অনন্য প্ৰতিভাৰ প্ৰতি প্ৰকৃতি সন্মান আৰু স্বীকৃতি বুলি তেওঁ উল্লেখ কৰে।

বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহিলা সৱলীকৰণ, সামাজিক ন্যায় আৰু পৰিৱেশ সচেতনতাৰে নিদৰ্শন দাঙি ধৰা তথা কলাক অনবদ্য মানলৈ উন্নীত কৰা প্ৰসিদ্ধ নৃত্য শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰি অসমবাসী গৌৰৱান্বিত বুলি মন্তব্য কৰে। অসংখ্য ভাৰতীয়ৰ প্ৰেৰণাৰ স্ৰোতস্বৰূপ তেওঁ জীৱন আৰু নৃত্য সাধনাই সমাজ জীৱনক উদ্ভাসিত কৰি তুলিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। এই অনুষ্ঠানতে ড° শৰ্মাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় আৰু সামাজিক সংস্কাৰ তথা ভক্তিবাদৰ মাধ্যমেৰে সামাজিক আৰু গণতান্ত্ৰিক প্ৰমূল্য প্ৰোথিত কৰাৰ প্ৰচেষ্টাৰ বিষয়েও আলোকপাত কৰে।

**-বাইট-**

বঁটা গ্ৰহণৰ পাছত ড০ সোনাল মানসিঙে আকাশবাণীৰ প্ৰতিনিধিৰ আগত এইদৰে কয়-

**-বাইট-**

অনুষ্ঠানত পদ্ম ভূষণ সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য যতীন গোস্বামীৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তনৰ জৰিয়তে অসমত আধ্যাত্মিক নৱজাগৰণৰ সূচনা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰাজী বিশ্বৰ প্ৰেক্ষাপটত দাঙি ধৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ১৯৮৬ চনৰ পৰা সাহিত্য, কলা, সংস্কৃতি, সাংবাদিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰা ব্যক্তিলৈ এই বঁটা আগবঢ়াই আহিছে। এই বঁটাত নগদ ধনৰ উপৰি এখন প্ৰশংসা পত্ৰ, এটা সোণৰ পদক, এখন শৰাই আৰু অংগবস্ত্ৰ আগবঢ়োৱা হয়। ২০০৮ চনৰ পৰা প্ৰতি ৩ বছৰৰ ব্যৱধানত এই বঁটা প্ৰদান কৰি অহা হৈছে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মহাপুৰুষ মাধৱদেৱৰ ৫৩৬ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উলহ-মালহেৰে পালন কৰা হয়। এই উপলক্ষে মহাপুৰুষজনাৰ জন্মভূমি লখিমপুৰৰ লেটেকুপুখুৰীত আজি পুৱাৰে পৰা নাম প্ৰসংগ, ঘোষা কীৰ্তন, ধৰ্মালোচনা সভাকে ধৰি বিভিন্ন ধৰ্মীয় কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

সত্ৰনগৰী **মাজুলীতো** কমলাবাৰী, বেঙেনাআটী, চামগুৰি ইত্যাদি সত্ৰসমূহত পৰম্পৰাগত সত্ৰীয়া নিয়মত গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে।

**যোৰহাট** জিলাতো গুৰুজনাই প্ৰতিষ্ঠা কৰা ঢেকীয়াখোৱা বৰনামঘৰত পুৱা ঊষা কীৰ্তন আৰু ভাগৱত যাত্ৰাৰে গুৰুজনাৰ জয়ন্তী কাৰ্যসূচী আৰম্ভ কৰা হয়। ইয়াৰ লগতে বৰনামঘৰ চৌহদত ধৰ্মালোচনা সভা আৰু নৈমিত্তিক প্ৰসংগৰ আয়োজন কৰা হয়। অঞ্চলটোৰ কৃতি ছাত্ৰ-ছাত্ৰী আৰু বয়োজ্যেষ্ঠ ধৰ্মপ্ৰাণ ব্যক্তিসকলকো গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে আয়োজিত সভাত সম্বৰ্ধনা জনোৱা হয়।

**বিশ্বনাথ জিলাত** শংকৰদেৱ সংঘৰ আঞ্চলিক নামঘৰ প্ৰাংগণতো গুৰুজনাৰ জয়ন্তী দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উপলক্ষে নাম প্ৰসংগ, গছপুলি ৰোপণ, ধৰ্মধবজা উত্তোলন কৰাৰ লগতে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১১০ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

**বৰপেটা** জিলাত গুৰুজনাই স্থাপন কৰা সুন্দৰীদিয়া সত্ৰ, বৰপেটা সত্ৰ, বাৰাদি সত্ৰ আদিত আজি পুৱাৰে পৰা মহাপুৰুষজনাৰ জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৰপেটা সত্ৰত গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে নিয়মীয়া প্ৰসংগৰ উপৰি গায়ন-বায়ন প্ৰদৰ্শন, ঘোষা কীৰ্তন, ব্যাস কীৰ্তন ইত্যাদিৰ লগতে ধৰ্মালোচনা সভাৰ আয়োজন কৰা হয়।

কামৰূপ জিলাৰ **শুৱালকুছিৰ** একশৰণ মহাপুৰুষীয়া ধৰ্মালোচনা সভা শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰ শুৱালকুছিৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱ পালন কৰা হয়। আজি পুৱা ঊষা কীৰ্তন আৰু ধৰ্মীয় পতাকা উত্তোলন কৰাৰ পাছত নৈমিত্তিক প্ৰসংগৰ উপৰি বিশেষ প্ৰসংগ, পাঠ, চৰিত তোলা, সেৱাৰ গীত পৰিৱেশন কৰাৰ লগতে ধৰ্মালোচনা সভা অনুষ্ঠিত হয়।

০০০০০

নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ নেতৃত্বত সুকীয়া বড়োলেণ্ড ৰাজ্য গঠনৰ দাবীত হোৱা গণ আন্দোলনৰ প্ৰথম শ্বহীদ সুজিত নাৰ্জাৰীৰ স্মৃতিত আজি বড়োলেণ্ডৰ বিভিন্ন ঠাইত বড়োলেণ্ড শ্বহীদ দিৱস পালন কৰা হৈছে।

বাক্সাৰ খাৰুৱাজানত এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম আৰু বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ উপস্থিতিত শ্বহীদৰ পৰিয়াললৈ বিটিআৰ প্ৰশাসনে আৰ্থিক সাহায্য আগবঢ়ায়। অনুষ্ঠানটোত বিএলটিৰ ৯১টা আৰু এবছুৰ ৩৩৩ টা শ্বহীদ পৰিয়ালৰ লগতে সংঘৰ্ষত নিহত সৰ্বমুঠ ৭২৪ টা পৰিয়াললৈ বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে ৫০ হাজাৰৰ পৰা ৩লাখ টকালৈকে এককালীন আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে।

চিৰাং জিলাতো বড়োলেণ্ড শ্বহীদ দিৱস উপলক্ষে বিজনীৰ বৰলাউগাওঁ হাইস্কুল খেলপথাৰত আয়োজিত অনুষ্ঠানত শ্বহীদৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, শ্বহীদ তৰ্পণকে ধৰি কেইবাটাও কাৰ্যসূচী লোৱা হয়। এই অনুষ্ঠানত অংশ লৈ এবছুৰ সভাপতি দিপেন বড়োৱে বড়োসকলৰ উন্নয়নৰ হকে এবছুৱে কাম কৰি যাব বুলি উল্লেখ কৰে।

০০০০০

অসম বিধানসভাৰ বিভাগীয় বিষয়ৰ স্থায়ী সমিতিৰ এটা দলে নগাওঁ জিলা ভ্ৰমণ কৰি বিভিন্ন বিভাগৰ উন্নয়নমূলক কামকাজৰ অগ্ৰগতিৰ বুজ লয়। ২০২৪-২৫ বিত্তীয় বৰ্ষত সমিতিয়ে দিয়া পৰামৰ্শ ভিত্তিত বিভিন্ন বিভাগে ৰূপায়ণ কৰা প্ৰকল্প আঁচনি আৰু ব্যৱস্থাসমূহৰ খতিয়ান লোৱাৰ বাবে বিধায়ক সঞ্জয় কিষাণৰ নেতৃত্বৰ দলটোৱে কেইবাগৰাকীও সংশ্লিষ্ট ব্যক্তিক সাক্ষাৎ কৰে। তেওঁলোকে এটা কৃষি প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকলক সাক্ষাৎ কৰে। দলটোৰ সৈতে জিলা প্ৰশাসনৰ বিষয়াৰ উপৰি জিলা কৃষি বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

গুৱাহাটী মহানগৰীৰ চানমাৰিৰ গান্ধীবস্তি তিনিআলিত আজি এটা ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডত ভালেকেইটা ৰন্ধন গেছৰ চিলিণ্ডাৰ বিস্ফোৰণ হোৱাৰ ফলত জুয়ে ভয়াবহ ৰূপ ধাৰণ কৰি ৫০টাৰো অধিক ঘৰ ভস্মীভূত কৰে। অগ্নিনিৰ্বাপক বাহিনীৰ ৪ খনকৈ গাড়ীৰ জৰিয়তে পাছত জুই নুমুওৱা হয়।

০০০০০

ভ্ৰাম্যমান থিয়েটাৰ সৃষ্টিকৰ্তা অচ্যুত লহকৰ আজি নৱম মৃত্যু বাৰ্ষিকী। স্বাধীন ভাৰতৰ অন্যতম জনপ্ৰিয় গণমাধ্যম ভ্ৰাম্যমান থিয়েটাৰৰ জন্মদিন নাট্য জগতত অভূতপূৰ্ব কৃতিত্ব অৰ্জন কৰা প্ৰয়াত নাট্যব্যক্তিত্বজনৰ মৃত্যু তিথি উপলক্ষে আজি পাঠশালাত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। আজিৰপৰা প্ৰায় ৬০বছৰ আগতে গান্ধী জয়ন্তীৰ দিনটোত পাঠশালাৰ হৰিমন্দিৰ প্ৰাংগণত নটৰাজ থিয়েটাৰ স্থাপন কৰি প্ৰয়াত লহকৰে ভ্ৰাম্যমান নাট্যযাত্ৰাৰ সোণালী পথৰ সূচনা কৰিছিল।

০০০০০

সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত, অসমৰ লোক সংগীত আৰু বিহুৰ অপ্ৰতিদ্বন্দ্বী শিল্পী খগেন মহন্তৰ মৃত্যু দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হয়। আকাশবাণীৰ নিয়মীয়া শিল্পী হিচাপে ১৯৬৫ চনৰ পৰা গীত পৰিৱেশন আৰম্ভ কৰা শিল্পীগৰাকীয়ে ১৯৭২ চনত প্ৰথম শ্ৰেণীৰ সুগম সংগীত আৰু লোক সংগীতৰ শিল্পী হিচাপে স্বীকৃতি লাভ কৰে। প্ৰথমে আকাশবাণীৰ সুৰকাৰ হিচাপে নিয়োজিত হৈ পাছলৈ সংগীত প্ৰযোজকৰ দায়িত্ব গ্ৰহণ কৰে। ২০০১ চনত আকাশবাণীৰ উত্তৰ-পূব সঞ্চালকালয়ৰ উপ-সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰা শিল্পীগৰাকীয়ে অসমীয়া লোক-সংগীতৰ শিল্পীসকলক বিচাৰি উলিয়াবৰ বাবে বিভিন্ন পদক্ষেপ লৈছিল। গাঁৱে-ভূঞে গৈ চহা মানুহৰ মাজত গীত পৰিৱেশন কৰাৰ লগতে লোকগীতৰ লেচেৰী বুটলি এনে গীতসমূহ সংৰক্ষণৰ দিহা কৰাৰ ক্ষেত্ৰতো তেওঁ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। ২৩ খন অসমীয়া চলচ্চিত্ৰত নেপথ্য শিল্পী হিচাপে কণ্ঠদান কৰা শিল্পীগৰাকীয়ে তিনিখন অসমীয়া চলচ্চিত্ৰ পৰিচালনাও কৰিছিল। আজি স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে শিল্পীগৰাকীৰ গীতত মাটি আৰু মানুহৰ কাহিনী অনুৰণিত হয় বুলি উল্লেখ কৰে।

০০০০০

হোজাই জিলা প্ৰশাসনৰ নিৰ্দেশত বিশ্ব শিশু শ্ৰম বিৰোধী দিৱস উপলক্ষে আজি জিলাখনৰ শ্ৰম বিভাগে বিভিন্ন স্থানত শিশু শ্ৰমিক উদ্ধাৰ অভিযান চলায়। এই অভিযানত জিলাখনৰ বিভিন্ন হোটেল, গেৰেজ, মাংসৰ বিপণী ইত্যাদিৰ পৰা ৯ জন নাবালক শ্ৰমিকক উদ্ধাৰ কৰা হৈছে। বিভাগীয় কৰ্তৃপক্ষই জনোৱা অনুসৰি উদ্ধাৰ কৰা শিশুকেইটিক পৰৱৰ্তী সময়ত শিশু কল্যাণ সমিতিৰ হাতত অৰ্পণ কৰা হ'ব।

০০০০০

সমাপ্ত